জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৬৭/২০২২**

# বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক শিৱনাথ বৰ্মনৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৫ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, চিন্তাশীল লেখক তথা সাংবাদিক শিৱনাথ বৰ্মনৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দীৰ্ঘকাল ধৰি ৰাজ্যৰ শিক্ষা, সাহিত্য আৰু সংবাদ ক্ষেত্ৰখনৰ সৈতে জড়িত থাকি প্ৰয়াত বৰ্মনে নিজৰ মননশীল লেখনিৰে পাঠক সমাজক উদ্বুদ্ধ কৰি অহাৰ লগতে ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰখন সমৃদ্ধ কৰি গৈছে। সাহিত্যিকগৰাকীৰ দেহাৱসান আমাৰ বৌদ্ধিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট সাহিত্যিকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বীঃগঃ / পুঃডেঃ**
**১৫/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in